আৰবিআই/২০১৬-১৭/১১২
ডিচিএম (পিএলজি) নং ১২২৬/১০.২৭.০০/২০১৬-১৭

৮ নৱেম্বৰ, ২০১৬

অধ্যক্ষ, পৰিচালন সঞ্চালক, মুখ্য কাৰ্যবাহী বিষয়া,
ৰাজহুৱা খণ্ডৰ বেংক/বেচৰকাৰী খণ্ডৰ বেংক/বিদেশী বেংক/আঞ্চলিক গ্ৰামীণ বেংক/চহৰীয়া সমবায় বেংক/ৰাজ্যিক সমবায় বেংক

মহাশয়/মহাশয়া,

**বৰ্তমানৰ ৫০০ টকীয়া আৰু ১০০০ টকীয়া বেংক নোটৰ বৈধ মুদ্ৰা বৈশিষ্ট্য প্ৰত্যাহাৰ**

ভাৰত চৰকাৰে জাৰি কৰা ৰাজপত্ৰিত অধিসূচনা নং ২৬৫২ দিনাংক ৮ নৱেম্বৰ,২০১৬ৰ ব্যৱস্থানুযায়ী বৰ্তমানৰ শৃংখলাত ভাৰতীয় ৰিজাৰ্ভ বেংকে প্ৰকাশ কৰা ৫০০ টকা আৰু ১০০০ টকা মুদ্ৰাবৰ্গৰ বেংক নোটসমূহ (ইয়াৰ পাছত উল্লেক কৰা নিৰ্দিষ্ট বেংক নোটবোৰ), অধিসূচনাখনত সন্নিৱিষ্ট পৰ্যন্ত ৯ নৱেম্বৰ,২০১৬ৰ বৈধ মুদ্ৰা হৈ নাথাকিব। বিভিন্ন আকাৰ আৰু আৰ্হিৰে দেশৰ সাংস্কৃতিক ঐতিহ্য আৰু বৈজ্ঞানিক সাফল্যক প্ৰতিফলিত কৰি মহাত্মা গান্ধী (নতুন) শৃংখলাত এলানি নতুন নোট জাৰি কৰা হব। বেংক শাখাসমূহ প্ৰাথমিক এজেন্সি হব যাৰ জৰিয়তে ৰাইজ আৰু অন্যান্য গোটে নিৰ্দিষ্ট বেংক নোটবোৰ অন্য বৈধ মুদ্ৰাবৰ্গৰ বেংকনোটেৰে সলনি কৰিব বা তেওঁলোকৰ একাউন্টত নিৰ্দিষ্ট বেংক নোটবোৰ ৩০ ডিচেম্বৰ,২০১৬লৈকে জমাভুক্ত কৰিব পাৰিব। সেয়ে এই কামত বেংকবোৰে সৰ্বোচ্চ অগ্ৰাধিকাৰ দিব লাগিব।

ৰাইজ আৰু অন্যান্য গোটক বৰ্তমানৰ ৫০০ টকীয়া আৰু ১০০০ টকীয়া নোটবোৰ সলাই লোৱাৰ সুচলাৰ্থে বেংকবিলাকে নিম্নোক্ত ব্যৱস্থাৱলী গ্ৰহণ কৰিব লাগিব –

**২. নৱেম্বৰ,২০১৬ত গ্ৰহণ কৰিবলগীয়া ব্যৱস্থাৱলী-**

ক. ৯ নৱেম্বৰ,২০১৬ (বুধবাৰ) সকলো বেংকৰ বাবে অনা-ব্যৱসায় কৰ্মদিন হব। অৱশ্যে এই চাৰ্কুলাৰ মতে আঁচনিখন ৰূপায়ণৰ বাবে প্ৰস্তুতি চলাবলৈ সেইদিনা শাখাসমূহত কাম-কাজ চলিব।

খ. এটিএম, কেশ্ব ডিপজিট মেচিন, কেশ্ব ৰিচাইক্লাৰ, মুদ্ৰা বিতৰক মেচিন, অন্য যিকোনো নগদ বিতৰণ যন্ত্ৰ, চিআইটি কোম্পানী আৰু বিজিনেছ কৰেছপণ্ডেন্টৰ হাতত মজুত থকা নিৰ্দিষ্ট বেংকনোটবোৰ ততালিকে প্ৰত্যাহাৰ কৰিব লাগিব। হোৱাইট লেবেল এটিএমবোৰৰ পৰা যিবিলাকৰ উদ্যোক্তা বেংকবোৰে নিজে নিৰ্দিষ্ট বেংকনোটবোৰ প্ৰত্যাহাৰ কৰিব লাগিব।

গ. বেংকবিলাকে তেওঁলোকৰ শাখাসমূহ, বিজিনেছ কৰেছপণ্ডেন্টৰ পৰা নিৰ্দিষ্ট বেংকনোট উলিয়াই দিয়াটো বন্ধ কৰিব লাগিব ৯ নৱেম্বৰ,২০১৬ৰ পৰাই।

ঘ. সকলো এটিএম, কেশ্ব ডিপজিট মেচিন, কেশ্ব ৰিচাইক্লাৰ আৰু নগদ প্ৰাপ্তি আৰু প্ৰদানৰ বাবে ব্যৱহৃত আন সকলো যন্ত্ৰ ৯ নৱেম্বৰ আৰু ১০ নৱেম্বৰ,২০১৬ত বন্ধ থাকিব।

ঙ. সকলো এটিএম আৰু নগদ বিতৰক যন্ত্ৰ ১১ নৱেম্বৰ,২০১৬ত পুনৰ কাৰ্যক্ষম কৰাৰ পূৰ্বে ১০০ টকা আৰু ৫০ টকা মুদ্ৰাবৰ্গৰ নোট উলিয়াই দিব পৰাকৈ ৰিকনফিগাৰ কৰিব লাগিব। অৱশ্যে মহাত্মা গান্ধী (নতুন) শৃংখলাৰ নোটবোৰ এটিএম আৰু নগদ বিতৰক যন্ত্ৰযোগে উলিয়াই দিয়াৰ ক্ষেত্ৰত বেংকবোৰে বাৰতীয় ৰিজাৰ্ভ বেংকৰ সুকীয়া নিৰ্দেশলৈ অপেক্ষা কৰিব লাগিব যদিও ৯ নৱেম্বৰ,২০১৬ৰ পৰা সেইবোৰ কাউন্টাৰৰ পৰা দিব পৰা যাব।

চ. বেংকিং বিনিময় আইন,১৯৪৯ৰ অধীনত সংজ্ঞাপ্ৰাপ্ত প্ৰতিটো বেংকিং কোম্পানীয়ে আৰু প্ৰতিটো কোষাগাৰে ৮ নৱেম্বৰ,২০১৬ৰ ব্যৱসায় সামৰাৰ পৰত তেওঁলোকৰ হাতত থকা নিৰ্দিষ্ট বেংকনোটৰ সবিশেষ দেখুৱাই, সংলগ্ন পত্ৰ-১ত নিৰ্দেশিত ফৰমেটত ১০ নৱেম্বৰ,২০১৬ৰ দিনৰ ১ বজাৰ পূৰ্বে, বেংকটোৰ মুখ্য কাৰ্যালয়ৰ ক্ষেত্ৰাধিকাৰ থকা ভাৰতীয় ৰিজাৰ্ভ বেংকৰ সংশ্লিষ্ট আঞ্চলিক কাৰ্যালয়লৈ সম্পূৰ্ণ ৰিটাৰ্ণ পঠিয়াব লাগিব। এটিএম, কেশ্ব ডিপজিট মেচিন, কেশ্ব ৰিচাইক্লাৰ্চ, মুদ্ৰা বিতৰক যন্ত্ৰ, চিআইটি কোম্পানী, বিজিনেছ কৰেছপণ্ডেণ্ট আদিৰ পৰা প্ৰত্যাহাৰ কৰা নিৰ্দিষ্ট বেংক নোটৰ সবিশেষ ৰিটাৰ্ণত থাকিব লাগিব।

ছ. এই বিশেষ নোটবোৰ লিংক কৰা কাৰেন্সি চেষ্ট/আৰবিআইত তত্কালে জমা কৰোৱা ব্যৱস্থা সাখাবোৰে লব লাগিব আৰু তেনে ৰাশি নিজৰ একাউন্টত জমাভুক্ত কৰিব লাগিব।

জ. শাখাবোৰে নিজৰ নগদ চাহিদা নিৰূপণ কৰিব আৰু লিংক থকা/ওচৰৰ কাৰেন্সি চেষ্ট/আৰবিআইৰ পৰা বৈধ মুদ্ৰাবৰ্গৰ বেংক নোট লব।

ঝ. কেশ্ব ডিপজিট মেচিন/কেশ্ব ৰিচাইক্লাৰ্চে ৩০ ডিচেম্বৰ,২০১৬লৈকে নিৰ্দিষ্ট বেংক নোটবোৰ লৈ থাকিব লাগিব।

ঞ. নিৰ্দিষ্ট বেংক নোটবোৰৰ বৈধ মুদ্ৰা বৈশিষ্ট্য (সংলগ্ন-পত্ৰ ২ মতে) প্ৰত্যাহাৰ আৰু মহাত্মা গান্ধী (নতুন) শৃংখলাৰ বেংকনোটৰ লক্ষ্যণীয় বৈশিষ্ট্যসমূহৰ (সংলগ্ন-পত্ৰ ৩ মতে) বিষয়ে জনসাধাৰণক শিক্ষিত কৰা তথ্য সামগ্ৰীবোৰ পৰ্যাপ্ত পৰিমাণে ছপা/কপি কৰিব লাগিব আৰু ৰাইজৰ মাজত বিতৰণ/বেংকিং কক্ষ/এটিএম কিয়স্কত চকুত পৰাকৈ আঁৰিব লাগিব।

ট. বেংকবোৰ বিনিময় কাউন্টাৰত কাম কৰা কৰ্মচাৰীসকলক চিনাক্ত কৰি আঁচনিথনৰ বিষয়ে বিশদ বুজাই আৰু অনুসৰণ কৰিবলগীয়া পদ্ধতিৰ বিষয়ে সক্ষম কৰিব। বিনিময় কাউন্টাৰত কৰ্মৰত কৰ্মচাৰীক (সংলগ্ন পত্ৰ ৪ত দিয়া এফএকিউৰ প্ৰতিলিপি একোটা দিব।

ঠ. কামৰ হেঁচা চম্ভালিব পৰাকৈ আৰু সময় মতে জালনোট ধৰা পেলোৱাৰ বাবে পৰ্যাপ্ত সংখ্যক নোট কাউন্টিং মেচিন, ইউ ভি লেম্প, নোট চৰ্টিং মেচিন যোগাৰ কৰিব লাগিব। আমাৰ চাৰ্কুলাৰ নং ডিচিএম (এফএনভিডি) নং ১১৩৪/১৬.০১.০৫/২০১৬-১৭ দিনাংক ২৭ অক্টোবৰ,২০১৬ যোগে ইতিমধ্যে কোৱা মতে বেংকিং কক্ষ, ৰাজহুৱা এলেকা কাউন্টাৰবোৰত চিচি টিভি কেমেৰাৰে নিৰীক্ষণ কৰি সম্পূৰ্ণ ৰেকৰডিং সংৰক্ষিত কৰিব লাগিব।

**৩. ১০ নৱেম্বৰ,২০১৬ত লবলগীয়া ব্যৱস্থাৱলী–**

ক. বেংক শাখাবোৰে ১০ নৱেম্বৰ,২০১৬ত স্বাভাৱিক কাম–কাজ আৰম্ভ কৰিব।

খ. নিৰ্দিষ্ট বেংক নোটৰ বিনিময়/গ্ৰহণৰ বাবে সূচল ব্যৱস্থা কৰাত বেংকবোৰে সৰ্বোচ্চ অগ্ৰাধিকাৰ দিব লাগিব আৰু ৰাইজৰ দাবী পূৰণ হোৱাকৈ অতিৰিক্ত কাউন্টাৰ খুলি, আৱশ্যক মতে অধিক সময়ৰ বাবে খোলা ৰাখিব লাগিব। এই কামৰ বাবে সৰ্বাধিক সংখ্যক কৰ্মচাৰীক নিয়োজিত কৰিব লাগিব। অতিৰিক্ত কামৰ হেঁচা চম্ভালিবৰ কাৰণে বেংকে অৱসৰপ্ৰাপ্ত কৰ্মচাৰীকো অস্থায়ী কালৰ বাবে নিয়োজিত কৰিব পাৰে।

**গ. বিনিময় সুবিধাৰ ব্যৱস্থা**

দফা ১ৰ উপদফা(১)ত উল্লেখিত বেংকিং কোম্পানী আৰু চৰকাৰী কোষাগাৰৰ বাদে ব্যক্তি একোজনৰ হাতত থকা নিৰ্দিষ্ট বেংক নোটবোৰ, ৰিজাৰ্ভ বেংকৰ ইছ্যু অফিচ বা ৰাজহুৱা খণ্ডৰ বেংক, বেচৰকাৰী খণ্ডৰ বেংক, বিদেশী বেংক, আঞ্চলিক গ্ৰামীণ বেংক, চহৰীয়া সমবায় বেংক আৰু ৰাজ্যিক সমবায় বেংকৰ যিকোনো শাখাত ৩০ ডিচেম্বৰ,২০১৬কে ধৰি আৰু পৰ্যন্ত সলাই লব পাৰিব, নিম্নোক্ত চৰ্ত সাপেক্ষে–

১. মুঠ ৪০০০ টকা বা কম মূল্যৰ নিৰ্দিষ্ট বেংক নোটবোৰ ৰিজাৰ্ভ বেংকে নিৰ্ধাৰণ কৰা ফৰমেটৰ ৰিকুইজিশ্যন শ্লিপত আৰু নিজৰ পৰিচয় প্ৰমাণ দাখিল কৰি একোজন ব্যক্তিয়ে সমপৰিমাণৰ সলাই লব পাৰিব; এই অধিসূচনা জাৰিৰ ১৫ দিনৰ পাছত নিৰ্দিষ্ট বেংক নোট সলোৱাৰ সৰ্বোচ্চ সীমা পুনৰীক্ষণ কৰা হব আৰু আৱশ্যক মতে উপযুক্ত আদেশ জাৰি কৰা হব।

২. একোজন ব্যক্তিয়ে নিজৰ একাউন্ট থকা বেংকত যিকোনো পৰিমাণ আৰু মূল্যৰ নিৰ্দিষ্ট বেংকনোট জমাভুক্ত কৰিব পাৰিব; অৱশ্যে কেৱাইচি পৰিপূৰণ নকৰা একাউন্টত ৫০০০০ টকা পৰ্যন্ত নিৰ্দিষ্ট বেংকনোট জমা কৰিব পাৰিব।

৩. একোজন ব্যক্তিয়ে নিজৰ একাউন্টত জমাভুক্ত কৰিবলৈ বিচৰা নিৰ্দিষ্ট বেংকনোটৰ সমপৰিমাণৰ ৰাশি যিকোনো বেংকত জমা কৰিব পাৰিব, প্ৰচলিত বেংকিং পদ্ধতি মতে আৰু বৈধ পৰিচয় প্ৰমাণ দাখিল কৰি।

৪. নিৰ্দিষ্ট বেংকনোটৰ সমপৰিমাণৰ ৰাশি দাখিলকৰ্তাই যিকোনো বেংকত তৃতীয় পক্ষত একাউন্টত জমাভুক্ত কৰিব পাৰিব, যদিহে যাচকে প্ৰচলিত বেংকিং প্ৰথা অনুসৰণ কৰে আৰু সংলগ্ন পত্ৰ৫ মতে প্ৰকৃত যাচক ব্যক্তিৰ বৈধ পৰিচয় প্ৰমাণ দাখিল কৰে।

৫. অধিসূচনা জাৰিৰ পৰা ২৪ নৱেম্বৰ,২০১৬ৰ ব্যৱসায় সময়ছোৱা পৰ্যন্ত এটা সপ্তাহত ২০,০০০ টকাৰ মুঠ সীমাৰে একোদিনত কাউন্টাৰৰ পৰা ১০,০০০ টকা উলিওৱাটো সীমাবদ্ধ কৰা হব; তাৰ পিছত এই সীমা পুনৰীক্ষণ কৰা হব।

৬. চেক, ডিমাণ্ড ড্ৰাফ্ট, ক্ৰেডিট বা ডেবিট কাৰ্ড, মোবাইল ৱালেট, ইলেকট্ৰনিক ফাণ্ড ট্ৰেন্সফাৰ আদি নগদবৰ্জিত প্ৰণালীৰে একাউন্ট পৰিচালনাৰ ক্ষেত্ৰত কোনো সীমাবদ্ধতা নাথাকে।

৭. এটিএমৰ পৰা টকা উলিওৱাটো ১৮ নৱেম্বৰ,২০১৬ পৰ্যন্ত দৈনিক ২০০০ টকাত সীমিত থাকিব আৰু ১৯ নৱেম্বৰ,২০১৬ৰ পৰা এই সীমা ৪০০০ টকালৈ বৃদ্ধি কৰা হব।

৮. ৩০ ডিচেম্বৰ,২০১৬ৰ ভিতৰত বা তাৰ আগতে নিজৰ একাউন্টত নিৰ্দিষ্ট বেংক নোট বিনিময় বা জমা কৰিবলৈ সমৰ্থ নোহোৱা ব্যক্তিসকলক ৰিজাৰ্ভ বেংকৰ নিৰ্দিষ্ট কাৰ্যালয় বা অন্য সূচলতাত পিছত ঘোষণা কৰিব লগা তাৰিখলৈ জমা কৰিবলৈ সুবিধা দিয়া হব।

৯. বিজিনেছ কৰেছপণ্ডেন্টবোৰকো বেংক শাখাৰ দৰে বৈধ পৰিচয় প্ৰমাণ আৰু ৰিকুইজিশ্যন শ্লিপ সাপেক্ষে প্ৰতি ব্যক্তিক ৪০০০ টকা পৰ্যন্ত নিৰ্দিষ্ট বেংক নোট বিনিময় কৰিবলৈ অনুমতি দিব পাৰে। ইয়াৰ বাবে বেংকে ইয়াৰ ঐচ্ছিক ক্ষমতা প্ৰয়োগ কৰি বিচিবোৰৰ নগদ ৰখাৰ সীমা বৃদ্ধি কৰিব পাৰে।

## ৪. ৰিপোৰ্টিং পদ্ধতি

৫০০ আৰু ১০০০ টকীয়া বেংকনোট বিনিময় কৰা প্ৰতিটো বেংক সাখাই ১০ নৱেম্বৰ,২০১৬ৰ পৰা ৩০ ডিচেম্বৰ,২০১৬ পৰ্যন্ত (বা আৰবিআইয়ে পৰৱৰ্ত্তী কালত ঘোষণা কৰা তাৰিখ) প্ৰতিদিনৰ ব্যৱসায় সামৰণিত ইমেইল বা ফেক্সযোগে সংলগ্নপত্ৰ ৬ মতে বিনিময় কৰা নিৰ্দিষ্ট বেংকনোটৰ সবিশেষ উল্লেখ কৰি নিয়ন্ত্ৰণকাৰী কাৰ্যালয়লৈ প্ৰবিৱৰণ পঠিয়াব লাগিব আৰু সংশ্লিষ্ট নিয়ন্ত্ৰক কাৰ্যালয়ে এইবোৰৰ সৰ্বমুঠ হিচাপসংলগ্ন পত্ৰ ৬ৰ মতে ইমেইলযোগে আৰ বি আই কেন্দ্ৰীয় কাৰ্যালয়ৰ পত্ৰমুদ্ৰা ব্যৱস্থাপনা বিভাগক দৈনিক ভিত্তিত জনাই থাকিব লাগিব।

৫. আঁচনিখনৰ আধাৰ আৰ্হি আৰু উল্লেখিত প্ৰক্ৰিয়া কঠোৰভাৱে অনুসৰণ কৰাকৈ বেংকবোৰে নিজৰ শাখাবোৰক বিস্তৃত নিৰ্দেশ দিব। শাখাৰ কৰ্মচাৰী বিশেষকৈ টেলাৰসকলক বিশেষভাৱে প্ৰশিক্ষিত কৰিব লাগিব। ইয়াৰ বাবে আমাৰ ৱেবছাইট (www.rbi.org.in) আৰু ভাৰত চৰকাৰৰ ৱেবছাইটৰ তথ্যাৱলী ব্যৱহাৰ কৰিব পাৰে। কৰ্মচাৰীক সংলগ্ন পত্ৰ ৪ মতে এফএকিউ সমৰ্থ কৰাই লব।

৬. বেংবোৰে তথ্য সামগ্ৰীবোৰৰ প্ৰতিলিপি কৰিও (সংলগ্ন পত্ৰ ২,৩,৪) ৰাইজৰ মাজত বিলাব পাৰে।

৭. বেংকে বিচি, এটিএম ছুইচ অপাৰেটৰ আৰু চি আই টিবোৰক আঁচনিখনৰ বিষয়ে যাৱতীয় নিৰ্দেশনাত দিব লাগিব।

৮. বেংবোৰে মহা-প্ৰৱন্ধক পৰ্যায়ৰ এজন বিষয়াৰ নেতৃত্বত গঠিত নিৰীক্ষণ কোষৰ যোগেদি দৈনিক ভিত্তিত আঁচনিখনৰ ৰূপায়ণৰ অগ্ৰগতি নিৰীক্ষণ কৰিব আৰু সেই বিষয়াজনে নডেল অফিচাৰ হিচাপে কাৰ্যনিৰ্বাহ কৰিব। নডেল অফিচাৰজনৰ যোগাযোগৰ সবিশেষ আৰ বি আইৰ সংশ্লিষ্ট আঞ্চলিক কাৰ্যালয়ক জনাব লাগিব আৰু এটা প্ৰতিলিপি আৰ বি আইৰ মুম্বাইস্থিত মুখ্য কাৰ্যালয়লৈ তলত দিয়া মতে ইমেইলযোগে পঠিয়াব লাগিব।

৯. আঁচনিখনৰ ৰূপায়ণ নিৰীক্ষণ আৰু বেংক তথা ৰাইজক আৱশ্যকীয় দিহা দিয়াৰ উদ্দেশ্যে আৰ বি আইয়ে ইয়াৰ কেন্দ্ৰীয় কাৰ্যালয়ত এটা নিয়ন্ত্ৰণ কক্ষ খুলিছে। নিয়ন্ত্ৰণ কক্ষৰ ইমেইল আই ডি আৰু টেলিফোন নম্বৰ হল–

ই-মেইল-

টেলিফোন নং- ০২২ ২২৬০২৮০৪/০২২ ২২৬০২৯৪৪

১০. অনুগ্ৰহ কৰি প্ৰাপ্তি স্বীকাৰ কৰিব।

আপোনাৰ বিশ্বাসী,

(পি বিজয় কুমাৰ)
মুখ্য মহা-প্ৰৱন্ধক

সংলগ্ন - ওপৰৰ মতে।

**বেংক শাখাবোৰে নিজ নিজ নিয়ন্ত্ৰক কাৰ্যালয়ক ৯ নৱেম্বৰ,২০১৬ৰ ১৩:০০ বজাৰ ভিতৰত দাখিল কৰিবলগীয়া প্ৰবিৱৰণ**

৮ নৱেম্বৰ,২০১৬ৰ মাজনিশাত বেংক শাখাৰ হাতত আৰু তেওঁলোকৰ লগত সংলগ্ন এটিএম, কেশ্ব ৰিচাইক্লাৰ্চ, নগদ বিতৰক যন্ত্ৰ, মুদ্ৰা বিতৰণ যন্ত্ৰ আৰু নগদ টকা লোৱা বা উলিয়াই দিয়া অন্য যিকোনো যন্ত্ৰত থকা ৫০০ আৰু ১০০০ টকীয়া প্ৰত্যাহৃত বেংকটোৰ সবিশেষ।

বেংকৰ নাম ................................

শাখাৰ নাম ................................ আই এফ চি কড ...............

| মুদ্ৰাবৰ্গ | নোটৰ সংখ্যা | মুঠ মূল্য |
|---|---|---|
| ৫০০ টকা | | |
| ১০০০ টকা | | |
| মুঠ | | |

শাখা প্ৰভাৰীৰ নাম আৰু ডেজিগনেচন

.........................................................................................................................

শাখা প্ৰভাৰীৰ স্বাক্ষৰ ...................................................................................

তাৰিখ ..........................

স্থান .............................

## ৫০০ আৰু ১০০০ টকীয়া মুদ্ৰাবৰ্গৰ বৰ্তমান শৃংখলাৰাজিৰ বেংকনোটৰ পৰা বৈধ মুদ্ৰা বৈশিষ্ট্য প্ৰত্যাহাৰ আঁচনিখনৰ লক্ষ্যণীয় বৈশিষ্ট্যসমূহ

১. ভাৰত চৰকাৰে জাৰি কৰা ৰাজপত্ৰিত অধিসূচনা নং ২৬৫২ দিনাংক ৮ নৱেম্বৰ,২০১৬ অনুযায়ী ৮ নৱেম্বৰ,২০১৬লৈ ভাৰতীয় ৰিজাৰ্ভ বেংকে জাৰি কৰা ৫০০ আৰু ১০০০ টকীয়া বৰ্তমানৰ শৃংখলাবৰ্গৰ ৯ নৱেম্বৰ,২০১৬ৰ পৰা কাৰ্যকৰী হোৱাকৈ কোনো ঠাইতে একাউন্টত প্ৰদানৰ বাবে বৈধ মুদ্ৰা হৈ নাথাকিব।

২. বেংক বা চৰকাৰী কোষাগাৰ বাদে অন্য ব্যক্তিৰ হাতত থকা এছ বি এনসমূহ ভাৰতীয় ৰিজাৰ্ভ বেংকৰ ১৯টা ইছ্যু শাখা আৰু ৰাজহুৱা খণ্ডৰ বেংক, বেচৰকাৰী খণ্ডৰ বেংক, বিদেশী বেংক, আঞ্চলিক গ্ৰামীণ বেংক, চহৰীয়া সমবায় বেংক আৰু ৰাজ্যিক সমবায় বেংকৰ যিকোনো শাখাত ৩০ ডিচেম্বৰ,২০১৬ পৰ্যন্ত নিম্নোক্ত চৰ্তাৱলী সাপেক্ষে বিনিময় কৰিব পৰা যাব–

ক. একোজন ব্যক্তিৰ হাতত তকা মুঠ মূল্যৰ ৪০০০ টকা পৰ্যন্ত যিকোনো বেংক শাখা বা ৰিজাৰ্ভ বেংকৰ ইছ্যু কাৰ্যালয়ত অন্য মুদ্ৰাবৰ্গৰ নোটেৰে সলাই লব পাৰিব, যদিহে সংলগ্নপত্ৰ ৫ মতে আৰ্হিৰ ৰিকুইজিচন শ্লিপসহ সংলগ্ন ৫ত দেখুওৱা পৰিচয় প্ৰমাণ উক্ত উচ্চ বৰ্গৰ নোটৰ সৈতে দাখিল কৰে।

খ. এছ বি এনৰ সামগ্ৰিক মূল্য ৪০০০ টকাৰ অধিক হলে, উচ্চ মূল্যবৰ্গৰ নোট উপস্থাপন কৰা বেংকৰ শাখাত উপস্থাপনৰ একাউন্টত সমৰাশিৰ ধন জমাভুক্ত কৰা হব। বেংক শাখা বা আৰ বি আই ইছ্যু কাৰ্যালয়ত এছ বি এন বিনিময় কৰাৰ ৪০০০ টকাৰ সীমা ১৫ দিনৰ পাছত পুনৰীক্ষণ কৰা হব।

গ. এছ বি এন উপস্থাপন কৰা বেংকত ৰখা উপস্থাপনৰ একাউন্টত জমাভুক্ত কৰিবলৈ বিচৰা এছ বি এনৰ পৰিমাণ বা মূল্যৰ কোনো সীমা নাথাকে।

ঘ. প্ৰচলিত বেংকিং পদ্ধতি সাপেক্ষে আৰু বৈধ পৰিচয় প্ৰমাণ দাখিল কৰিলে উপস্থাপনৰ যিকোনো বেংকৰ একাউন্টত এছ বি এনৰ সমমূল্য জমাভুক্ত কৰিব পাৰিব।

ঙ. তৃতীয় পক্ষৰ একাউন্টতো উপস্থাপিত এছ বি এনৰ সমমূল্যৰ ৰাশি জমাভুক্ত কৰিব পাৰি যদিহে প্ৰচলিত বেংকিং প্ৰথা মানি আৰু প্ৰকৃত উপস্থাপনৰ বৈধ পৰিচয় প্ৰমাণ দি একাউন্ট ধাৰকে তাৰ বাবে নিৰ্দ্ধাৰিত কৰ্তৃত্ব প্ৰদান কৰে।

চ. কে ৱাই চি অনুসৰণ নকৰা বা সম্পূৰ্ণ তথ্য নিদিয়া একাউন্টত সৰ্বাধিক ৫০,০০০ টকা মূল্যৰ এছ বি এন জমা দিব পাৰি।

ছ. প্ৰথম পষেকৰ বাবে, প্ৰতি সপ্তাহত ২০,০০০ মটকাৰ সামগ্ৰিক সীমাৰে একোটা বেংক একাউন্টৰ পৰা কাউন্টাৰযোগে নগদ উলিওৱাৰ সীমা ১০,০০০ টকা ধাৰ্য কৰা হৈছে।

জ. চেক, ডিমাণ্ড ড্ৰাফ্ট, ক্ৰেডিট/ডেবিট কাৰ্ড, মোবাইল ৱালেট আৰু ইলেকট্ৰনিক ফাণ্ড ট্ৰেন্সফাৰ প্ৰণালী আদি নগদবৰ্জিত আকাৰত একাউন্ট পৰিচালনাত কোনো সীমা নাই।

ঝ. এটিএমযোগে নগদ উঠোৱাৰ সীমা ১৮ নৱেম্বৰ,২০১৬লৈকে দৈনিক ২০০০ টকা হব। ১৯ নৱেম্বৰ,২০১৬ৰ পৰা এই সীমা প্ৰতি কাৰ্ডত প্ৰতি দিনে ৪০০০ টকালৈ বৃদ্ধি হব। আৰ বি আইৰ পৰৱৰ্ত্তী নিৰ্দেশ পৰ্যন্ত সকলো এটিএমে ১০০ আৰু ৫০ টকীয়া নোটহে বিতৰণ কৰিব।


ঞ. ৩০ ডিচেম্বৰ,২০১৬ বা তাৰ পূৰ্বে এছ বি এন বিনিময় কৰিবলৈ অসমৰ্থ হোৱাসকলৰ বাবে পৰৱৰ্ত্তী তাৰিখ পৰ্যন্ত আৰ বি আইৰ নিৰ্দিষ্ট কাৰ্যালয়ত বিনিময় কৰিবলৈ সুযোগ দিয়া হব; ৰিজাৰ্ভ বেংকে ধাৰ্য কৰিবলগীয়া আৱশ্যকীয় তথ্যপাতিৰ যথাৰ্থতা আৰু পৰিপূৰণ সাপেক্ষে এই ব্যৱস্থা হব।


**মহাত্মা গান্ধী (নতুন) শৃংখলা বেংকনোটৰ বৈশিষ্ট্য**

**২০০০ টকীয়া বেংকনোটৰ লক্ষ্যণীয় বৈশিষ্ট্য**

**এতিয়া আপোনাৰ বেংকনোট নতুন আৰ্হিত**

## আৰ বি আইয়ে জাৰি কৰা এক নতুন শৃংখলাৰ ২০০০ টকীয়া নোট




ভাৰতীয় ৰিজাৰ্ভ বেংকে মহাত্মা গান্ধী (নতুন) চিৰিজৰ অংশ হিচাপে নতুন নক্সাত ২০০০ টকাৰ নোটৰ শুভাৰম্ভ কৰিছে।

দেশৰ প্ৰথম আন্ত: গ্ৰহীয় অভিযানক অংকণ কৰি ২০০০ টকীয়া নোটৰ আনটো পিঠিত মংগলায়ণৰ প্ৰতীকচিহ্ন সন্নিবিষ্ট থাকিব।

বেংক নোটৰ মূল ৰং মেজেন্টা হব।নোটৰ অন্য ডিজাইন অজস্ৰ ৰংৰ সৈতে জ্যামিতিক সজ্জা আৰু বেংক নোটৰ অগ্ৰ ভাগ আৰু পৃষ্ঠ ভাগত । নতুন নোটৰ আকৃতি ৬৬ এম এম X ১৬৬ এম এম |

নতুন ২০০০ টকাৰ বিশেষত্ব সমূহ

সন্মুখ ভাগ

(১) পোহৰৰ বিপৰীতে চালে নোটত ২০০০ অংকৰ আৰ- পাৰ মুদ্ৰণ দেখা যাব।

(২) চকুৰ সমান পৰ্যায়ত ৰাখি ৪৫ ডিগ্ৰী কৌণিক কৈ বেংক নোটখন চালে ২০০০ সংখ্যাৰ লেটেন্ট ইমেজ দেখা যাব।

(৩) দেৱনাগৰী লিপিত ২০০০ মূল্য বৰ্গৰ অংক ।

(৪) মাজ ভাগত মহাত্মা গান্ধীৰ চিত্ৰ।

(৫) RBI আৰু 2000 অতি সূক্ষ্ম আখৰত ।

(৬) বন্ধনযুক্ত সুৰক্ষা সুতাত য'ত ৰং পৰিবৰ্ত্তক চিয়াঁহীৰে **भारत**, RBI আৰু 2000 লিখা থাকিব ।

(৭) বাওঁফালে গেৰান্টীবন্ড,গবৰ্ণৰৰ হস্তাক্ষৰসহ প্ৰতিগ্যা আৰু ৰিজাৰ্ভ বেংকৰ চিহ্ন।

(৮) মহাত্মা গান্ধীৰ চিত্ৰ আৰু ইলেক্ট্ৰনিক ২০০০ ৱাটাৰ মাৰ্ক।

(৯) ওপৰৰ বাওঁফালৰ পৰা তলৰ সোঁ দিশলৈ নম্বৰ চেনেলৰ সংখ্যা সৰুৰ পৰা ডাঙৰ হৈ যোৱা দেখা যাব।

(১০) টকাৰ চিহ্ন ২০০০ অংকটো ৰং পৰিবৰ্ত্তক সেউজীয়াৰ পৰা নীলা তলৰ সোঁ দিশত দেখা যাব

(১১) সোঁদিশে অশোক স্তম্ভ।

দৃষ্টিশক্তিহীনৰ বাবে
মহাত্মা গান্ধীৰ চিত্ৰ, অশোক স্তম্ভৰ চিন, ব্লীড লাইন আৰু পৰিচয় চিহ্ন কিছু ওখকৈ ছপা বা ইন্টাগ্লিও
(১২) সোঁদিশে ২০০০ টকা সংখ্যাটো উঠাকৈ ছপা
(১৩ ) উঠাকৈ সোঁ আৰু বাওঁ দিশে ৭টা ব্লীড লাইন
পৃষ্ঠভাগ
(১৪) মুদ্ৰণ বৰ্ষ
(১৫) শ্লোগানৰ সৈতে স্বচ্ছ ভাৰত চিন্হ
(১৬ ) কেন্দ্ৰভাগৰ ফালে ভাষা পেনেল
(১৭ ) ভাৰতৰ প্ৰথম আন্ত:গ্ৰহীয় অভিযান প্ৰতিফলিত কৰি মংগলায়নৰ চিত্ৰ
সবিশেষ জনাৰ বাবে ২০০০ টকাৰ বেংকনোট চাওক
অধিক তথ্যৰ বাবে: www.paisaboltahai.org.in


Department of Consumer Affairs
Issued in public interest by
भारतीय रिज़र्व बैंक
RESERVE BANK OF INDIA
www.rbi.org.in

**নতুন ৫০০ টকীয়া বেংকনোটৰ লক্ষ্যণীয় বৈশিষ্ট্য**

**এতিয়া আপোনাৰ বেংকনোট নতুন আৰ্হিত**

**আৰ বি আইয়ে জাৰি কৰা এক নতুন শৃংখলাৰ ৫০০ টকীয়া নোট**




নতুন ৫০০ টকাৰ নোট বৰ্তমান চিৰিজৰ নোটতকৈ ৰং, আকৃতি, বিষয়-বস্তু আৰু সুৰক্ষা চিন্হৰ স্থান আৰু নক্সাৰ দিশৰ পৰা পৃথক। নতুন নোটৰ আকৃতি ৬৩ এম.এম.X ১৫০ এম্.এম্.। নোটৰ ৰং স্টন গ্ৰে আৰু নতুন প্ৰধান বিষয়-বস্তু- লাল কিল্লা ।

অগ্ৰভাগ

(১) আৰ-পাৰ কৈ নোটৰ নম্বৰ

(২) নোটৰ লেটেন্ট ইমেজ

(৩) দেৱনাগৰী লিপিত নোটৰ নম্বৰ

(৪) মহাত্মা গন্ধীৰ চিত্ৰত কিছু সালসলনি

(৫) সামান্য হেলনীয়াকৈ চালে সুৰক্ষা বন্ধনীৰ ৰং সেউজীয়াৰ পৰা নীলালৈ পৰিবৰ্তন

(৬) গেৰান্টি দফা,গৱৰ্নৰৰ স্বাক্ষৰ,প্ৰতিজ্ঞা দফা আৰু আৰ. বি. আইৰ প্ৰতীক চিন্হ সোঁদিশলৈ স্থানান্তৰ

(৭) ইলেক্ট্ৰ টাইপ ৱাটাৰ মাৰ্ক

(৮) ওপৰৰ বাওঁফালৰ পৰা তলৰ সোঁদিশলৈ নম্বৰ পেনেলত সংখ্যা ক্ষুদ্ৰৰ পৰা ডাঙৰলৈ  ক্ৰমান্বয়ে বৃদ্ধি

(৯) ৰং সলনি হোৱা চিয়াঁহীৰে টকাৰ চিন্হ

(১০) সোঁদিশে তলত সেউজীয়াৰ পৰা নীলাৰ ওপৰত অশোক স্তম্ভ

দৃষ্টিশক্তিহীনৰ বাবে

মহাত্মা গান্ধীৰ চিত্ৰ, অশোক স্তম্ভৰ চিন, ব্লিড লাইন আৰু পৰিচয় চিন্হ কিছু ওখকৈ ছপা বা ইন্টাগ্লিও

(১১) সোঁদিশে ৫০০ টকা সংখ্যাটো উঠাকৈ ছপা

(১২) উঠাকৈ সোঁ আৰু বাওঁ দিশে ৫টা ব্লিড লাইন

পৃষ্ঠভাগ

(১৩) বাওঁদিশে নোটক ছপাবৰ্ষ

(১৪) স্লোগানৰ সৈতে স্বচ্ছ ভাৰত চিন্হ

(১৫) কেন্দ্ৰভাগৰ ফালে ভাষা পেনেল

(১৬) ভাৰতীয় জাতীয় পতাকাৰ সৈতে ভাৰতীয় ঐতিহ্য ক্ষেত্ৰ–লাল কিল্লা

(১৭) সোঁদিশে দেৱনাগৰী লিপিত টকাৰ সংখ্যা

অন্যান্য সংখ্যাৰ নতুন নোট শীঘ্ৰে

অধিক তথ্যৰ বাবে: www.paisaboltahai.org.in

JAGO GRAHAK JAGO
Department of Consumer Affairs
Ministry of Consumer Affairs, Food and Public Distribution
Government of India, Krishi Bhawan, New Delhi - 110 001
Website : www.consumeraffairs.nic.in

Issued in public interest by
भारतीय रिज़र्व बैंक
RESERVE BANK OF INDIA
www.rbi.org.in

**শেহতীয়া এফ এ কিউৰ বাবে বেংক ৱেবছাইটৰ এফ এ কিউ শাখা ৰেফাৰ কৰক**

(https://www.rbi.org.in/Scripts/FAQView.aspx?Id=119)

## ৫০০ আৰু ১০০০ টকা মুদ্ৰাবৰ্গৰ বৰ্তমানৰ বেংকনোটৰ বৈধ মুদ্ৰা প্ৰত্যাহাৰ সম্পৰ্কীয় এফ এ কিউ (৮ নৱেম্বৰ,২০১৬ত জাৰি)

### ১. এই আঁচনিখন কিয়নো প্ৰৱৰ্তন কৰা হল?

উচ্চ মুদ্ৰাবৰ্গৰ জাল ভাৰতীয় পত্ৰমুদ্ৰা যোগোৰাটো বৃদ্ধি পালে। সাধাৰণ লোকৰ বাবে জাল নোটবোৰ দেখাত প্ৰকৃত নোটৰ দৰেই, যদিওবা, কোনো সুৰক্ষা বৈশিষ্ট্য নকল কৰিব পৰা নাই। জাল নোটবোৰ ৰাষ্ট্ৰবিৰোধী আৰু অবৈধ কাৰ্যকলাপৰ বাবে ব্যৱহাৰ হৈছে। উচ্চ মূল্যৰ নোটবোৰ সন্ত্ৰাসবাদীয়ে অপপ্ৰয়োগ কৰিছে আৰু কলা ধন মজুতকৰণৰ বাবেও ব্যৱহাৰ হৈছে। ভাৰত নগদ-ভিত্তিক অৰ্থব্যৱস্থা হৈ থকা হেতুকে জাল ভাৰতীয় পত্ৰমুদ্ৰাৰ প্ৰচলন উপদ্ৰৱ হৈ পৰিছে। জালনোটৰ পয়োভৰ ৰোধ আৰু কলা ধন ৰোধৰ উদ্দেশ্যে প্ৰত্যাহাৰৰ আঁচনি প্ৰৱৰ্তন কৰা হৈছে।

### ২. এই আঁচনিখননো কি?

ভাৰতীয় ৰিজাৰ্ভ বেংকে ৮ নৱেম্বৰ,২০১৬ পৰ্যন্ত জাৰি কৰা ৫০০ টকা আৰু ১০০০ টকা মুদ্ৰাবৰ্গৰ বৰ্তমানৰ বেংক নোটবোৰৰ বৈধ মুদ্ৰা বৈশিষ্ট্য প্ৰত্যাহাৰ হৈছে (ইয়াৰ পাছত নিৰ্দিষ্ট বেংক নোট হিচাপে উল্লেখ কৰা)। ইয়াৰ পৰিণামস্বৰূপে, এই বেংক নোটবোৰ ব্যৱসায়িক লেনদেনৰ বাবে আৰু অথবা ভৱিষ্যত মূল্যত ব্যৱহাৰ কৰিব নোৱাৰিব। এই বেংকনোটবোৰ সমমূল্যত ভাৰতীয় ৰিজাৰ্ভ বেংকৰ ১৯টা কাৰ্যালয়ত বা যিকোনো বেংক শাখাত বা যিকোনো মুখ্য ডাকঘৰ বা উপ-ডাকঘৰত বিনিময় কৰিব পাৰি।

### ৩. কিমান মূল্য মই পাম?

আপুনি বেংক শাখা/আৰ বি আই কাৰ্যালয়ত উপস্থাপন কৰা সমুদায় পৰিমাণৰ নোটৰ সমাৰ্থক মূল্য পাব।

### ৪. মই গোটেইখিনি নগদ পামনে?

নাপাব। আপুনি যি পৰিমাণকে উপস্থাপন নকৰক লাগে প্ৰতি ব্যক্তিয়ে ৪০০০ টকালৈকেহে পাব আৰু তাৰ ওপৰঞ্চিখিনি আপোনাৰ একাউন্টত জমাভুক্ত হব।

### ৫. মই গোটেইখিনি নগদ সমৰ্পণ কৰিলো যেতিয়া সমুদায় ৰাশি নগদ পাব নোৱাৰো কিয়?

নিৰ্দিষ্ট উদ্দেশ্য সাপেক্ষে আঁচনিখনত তেনে ব্যৱস্থা ৰখা নাই।

**৬. নগদ ৪০০০ টকা মোৰ চাহিদাৰ যথোচিত নহয়। মই কি কৰিম?**

আপোনাৰ বেংক একাউন্টত জমাভুক্ত ৰাশিক অন্য আৱশ্যকতা পূৰণৰ বাবে চেক অথবা ইন্টাৰনেট বেংকিং, মবাইল ৱালেট, আইএমপিএছ, ক্রেডিট অথবা ডেবিট কার্ড আদি ইলেকট্রনিক প্রদান মাধ্যম ব্যৱহাৰ কৰিব পাৰে।

**৭. মোৰ বেংক একাউন্ট নাথাকিলে কি কৰিম?**

আপুনি যিকোনো বেংক শাখাত যোগাযোগ কৰি কেৱাইচি আৱশ্যকতা পৰিপূৰণৰ বাবে লাগতীয়াল নথিপত্রসমূহ জমা দি নিজৰ এটা বেংক একাউন্ট খুলি লব পাৰে।

**৮. মোৰ যদি জে ডি ৱাই একাউন্ট থাকে, তেতিয়া কি হব?**

জে ডি ৱাই একাউন্ট ধাৰক এজনেও সীমা আৰু বেংকৰ ৰীতি তথা কার্যপ্রক্রিয়া সাপেক্ষে বিনিময় সুবিধাখিনি গ্রহণ কৰিব পাৰে।

**৯. নোটখিনি বিনিময় কৰাৰ বাবে মই কলৈ যাব পাৰোঁ?**

বিনিময় সুবিধাখিনি আৰ বি আইৰ সকলো ইছ্যু কার্যালয়ত আৰু বাণিজ্যিক বেংক/আৰ আৰ বি/ই চি বি/ৰাজ্যিক সমবায় বেংকৰ শাখা বা যিকোনো মুখ্য ডাকঘৰ আৰু উপ-ডাকঘৰতে পোৱা যায়।

**১০. মোৰ বেংক শাখালৈহে যাব লাগিব নেকি?**

৪০০০ টকা পর্যন্ত নগদ বিনিময়ৰ কাৰণে আপুনি বৈধ পৰিচয় প্রমাণ লৈ যিকোনো বেংক শাখালৈ যাব পাৰে।

৪০০০ টকাৰ অধিক বিনিময়ৰ কাৰণে, যিটো নেকি বেংক একাউন্টত জমাভুক্তিৰেহে কৰা হয়, আপুনি নিজৰ একাউন্ট থকা শাখাটোলৈ বা একে বেংকৰ অন্য শাখালৈকো যাব পাৰে।

আপোনাৰ একাউন্ট নৰখা অন্য বেংকৰ শাখালৈ যাব বিচাৰিলে, তাৰ পৰা আপোনাৰ একাউন্টলৈ ইলেকট্রনিক ফাণ্ড ট্রেন্সফাৰ প্রণালীৰে সবিশেষ আৰু প্রেৰণৰ বাবে নিজৰ একাউন্টৰ সবিশেষ আৰু বৈধ পৰিচয় প্রমাণ দাখিল কৰিব লাগিব।

**১১. মোৰ বেংকটোৰ যিকোনো শাখালৈ যাব পাৰিমনে?**

হয়, আপুনি নিজৰ বেংকটোৰ যিকোনো শাখালৈ যাব পাৰিব।

**১২. অন্য কোনো বেংকৰ যিকোনো শাখালৈ যাব পাৰি নেকি?**

হয়, আপুনি অন্য কোনো বেংকৰ যিকোনো শাখালৈকো যাব পাৰিব। তেতিয়া আপুনি নগদ বিনিময়ৰ কাৰণে বৈধ পৰিচয় প্রমাণ দাখিল কৰিব লাগিব; বৈধ পৰিচয় প্রমাণৰ লগতে, বিনিময় ৰাশি ৪০০০ টকাৰ অধিক হোৱাৰ ক্ষেত্রত ইলেকট্রনিক ফাণ্ড ট্রেন্সফাৰৰ বাবে বেংক একাউন্টটোৰ বিশদ তথ্যও দাখিল কৰিব লাগিব।

**১৩. মোৰ নিজা একাউন্ট নাই যদিও বন্ধু/আত্মীয়ৰ একাউন্ট আছে। সেই একাউন্টৰ পৰা মোৰ নোটখিনি বিনিময় কৰিব পাৰিমনে?**

হয়, আপুনি তাতো পাৰিব, যদিহে একাউন্ট ধাৰক বন্ধু/আত্মীয়ই লিখিত অনুমতি প্ৰদান কৰে। বিনিময় কৰোতে, একাউন্ট ধাৰকে দিয়া অনুমতিৰ প্ৰমাণ আৰু আপোনাৰ বৈধ পৰিচয় প্ৰমাণ দিব লাগিব।

**১৪. মই নিজে বেংকলৈ যাব লাগিবনে বা মোৰ প্ৰতিনিধিৰ যোগেদি নোটখিনি পঠিয়াব পাৰিম?**

ব্যক্তিগতভাৱে শাখালৈ যোৱাটো ভাল। একান্তই সম্ভৱ নহলে নিজৰ প্ৰতিনিধিকো স্পষ্ট আজ্ঞা অৰ্থাত্ লিখিত কৰ্তৃত্ব প্ৰদানেৰে পঠিয়াব পাৰে। নোটখিনি দাখিল কৰোতে প্ৰতিনিধিয়ে কৰ্তৃত্বপত্ৰ আৰু নিজৰ বৈঠ পৰিচয় প্ৰমাণ দাখিল কৰিব লাগিব।

**১৫. এ টি এমৰ পৰা উলিয়াব পাৰিমনে?**

প্ৰচলিত আৰু অনুমোদিত মুদ্ৰা বিতৰণৰ উপযোগী হোৱাকৈ এটিএমবোৰ ৰিকেলিব্ৰেট কৰিবলৈ অলপ সময় লাগিব। এটিএমবোৰ কাৰ্যক্ষম হৈ উঠিলে আপুনি ১৮ নৱেম্বৰ,২০১৬লৈকে প্ৰতি কাৰ্ডত দৈনিক সৰ্বাধিক ২০০০ টকা উলিয়াব পাৰিব। ১৯ নৱেম্বৰ,২০১৬ৰ পৰা প্ৰতি কাৰ্ডত দৈনিক সীমা ৪০০০ টকালৈ বৃদ্ধি কৰা হব।

**১৬. চেকৰ বিপৰীতে নগদ উলিয়াব পাৰিমনে?**

হয়, আপুনি চেক বা উদ্ৰৱেল শ্লিপযোগেও নগদ উলিয়াব পাৰিব, কিন্তু ২৪ নৱেম্বৰ,২০১৬ পৰ্যন্ত প্ৰতি সপ্তাহত মুঠ ২০,০০০ টকাৰ সীমাৰে (এটিএমৰ পৰা উলিওৱাখিনিকে ধৰি) দৈনিক ১০,০০০ টকালৈকেহে পাৰিব। পাছত এই সীমা পুনৰীক্ষণ হব।

**১৭. নিৰ্দিষ্ট বেংক নোটবোৰ এটিএম, কেশ্ব ডিপজিট মেচিন বা কেশ্ব ৰিচাইক্লাৰৰ যোগেদি জমা দিব পাৰিমনে?**

হয়, নিৰ্দিষ্ট বেংকনোটবোৰ কেশ্ব ডিপজিট মেচিন, কেশ্ব ৰিচাইক্লাৰযোগেও জমা দিব পাৰি।

**১৮. মই ইলেকট্ৰনিক এনইএফটি/আৰটিজিএছ/আইএমপিএছ/ইণ্টাৰনেট বেংকিং/মবাইল বেংকিং আদি মাধ্যম ব্যৱহাৰ কৰিব পাৰিমনে?**

আপুনি এনইএফটি/আৰটিজিএছ/আইএমপিএছ/ইণ্টাৰনেট বেংকিং বা অন্য ইলেকট্ৰনিক/নগদ বৰ্জিত প্ৰদান মাধ্যমো ব্যৱহাৰ কৰিব পাৰিব।

**১৯. নোট বিনিময় কৰিবলৈ মোৰ কিমান সময় লাগিব?**

৩০ ডিচেম্বৰ,২০১৬ত আঁচনিখন বন্ধ হব। নিৰ্দিষ্ট বেংক নোটবোৰ বাণিজ্যিক বেংক, আৰআৰবি, চহৰীয়া সমবায় বেংক, ৰাজ্যিক সমবায় বেংক আৰু আৰ বি আইৰ শাখাত ৩০ ডিচেম্বৰ,২০১৬ লৈকে বিনিময় কৰিব পাৰিব।

৩০ ডিচেম্বৰ,২০১৬ৰ ভিতৰত বা আগে নিৰ্দিষ্ট বেংক নোটবোৰ বিনিময় কৰিবলৈ সমৰ্থ নোহোৱাসকলক আৰ বি আইৰ নিৰ্ধাৰিত কাৰ্যালয়ত জমা দিবলৈ সুযোগ দিয়া হব; তেতিয়া ভাৰতীয় ৰিজাৰ্ভ বেংকে নিৰ্দ্ধাৰণ কৰি দিয়া আৱশ্যকীয় নথিভুক্তকৰণৰ প্ৰয়োজন হব।

**২০. এতিয়া মই ভাৰতত নাই, মই কি কৰিব লাগিব?**

আপোনাৰ যদি নিৰ্দিষ্ট বেংক নোটবোৰ ভাৰতত আছে, ভাৰতত থকা আন এজন ব্যক্তিক সেইবোৰ জমা দিবলৈ লিখিত কৰ্তৃত্ব দিব পাৰে। কৰ্তৃত্বপ্ৰাপ্ত ব্যক্তিগৰাকীয়ে নিৰ্দিষ্ট বেংকনোটখিনি আপুনি দিয়া কৰ্তৃত্বপত্ৰ আৰু বৈধ পৰিচয় প্ৰমাণ লৈ বেংক শাখালৈ আহিব পাৰে। (আধাৰ কাৰ্ড, ড্ৰাইভিং লাইচেন্স, ভোটাৰ আই ডি কাৰ্ড, পাৰপত্ৰ, এনৰেগা কাৰ্ড, পেন কাৰ্ড, চৰকাৰী বিভাগে জাৰি কৰা পৰিচয় পত্ৰ, ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানে কৰ্মচাৰীক দিয়া পৰিচয়-পত্ৰক বৈধ পৰিচয় প্ৰমাণ হিচাপে গণ্য হয়)।

**২১. মই এজন এন আৰ আই আৰু মোৰ এন আৰ অ একাউণ্ট আছে, বিনিময় মুদ্ৰাখিনি মোৰ একাউণ্টত জমা হবনে?**

হয়, আপোনাৰ হাতত থকা নিৰ্দিষ্ট বেংক নোটবোৰ এন আৰ অ একাউণ্টত জমা দিব পাৰে।

**২২. মই এজন বিদেশী পৰ্যটক। এনেবোৰ নোট মোৰ হাতত আছে। মই কি কৰিব লাগিব?**

অধিসূচনাৰ ৭২ ঘণ্টাৰ ভিতৰত বিমান বন্দৰত বিনিময় কাউণ্টাৰত এই নিৰ্দিষ্ট নোটবোৰৰ বিনিময়ত আপুনি ৫০০০ টকা মূল্যৰ বিদেশী মুদ্ৰা কিনি লব পাৰে, যদিহে নিৰ্দিষ্ট বেংক নোটবোৰ কিনাৰ প্ৰমাণ দাখিল কৰিব পাৰে।

**২৩. মোক জৰুৰীভাৱে (হাস্পতাল, ভ্ৰমণ, জীৱনদায়িনী ঔষধ ব্যয়) নগদ টকাৰ প্ৰয়োজন। তেনে স্থলত মই কি কৰিব লাগিব?**

আপোনাৰ হাতত থকা নিৰ্দিষ্ট নোটবোৰ অধিসূচনা জাৰিৰ ৭২ ঘণ্টাৰ ভিতৰত চৰকাৰী হাস্পতালত হাস্পতাল খৰচ, চৰকাৰী আৰু ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানৰ বাছেৰে ভ্ৰমণ কৰাৰ বাবে চৰকাৰী বাছ আস্থানত টিকট কিনাৰ বাবে, ৰেল ভ্ৰমণৰ বাবে ৰেল ষ্টেচনত, বিমান টিকটৰ বাবে বিমান বন্দৰত ব্যৱহাৰ কৰিব পাৰে।

**২৪. পৰিচয় প্ৰমাণনো কি?**

তলৰ যিকোনো এবিধেই বৈধ পৰিচয় প্ৰমাণ - (আধাৰ কাৰ্ড, ড্ৰাইভিং লাইচেন্স, ভোটাৰ আই ডি কাৰ্ড, পাৰপত্ৰ, এনৰেগা কাৰ্ড, পেন কাৰ্ড, চৰকাৰী বিভাগে জাৰি কৰা পৰিচয় পত্ৰ, ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানে কৰ্মচাৰীক দিয়া পৰিচয়-পত্ৰ।

**২৫. আঁচনিৰ সবিশেষ তথ্য কত পাম?**

অধিক তথ্যৰ বাবে আমাৰ ৱেবছাইট আৰু জি অ আই ৱেবছাইট।

**২৬. মোৰ কিবা সমস্যা আহিলে কাৰ কাষ চাপিম?**

আপুনি আৰ বি আই কন্ট্ৰল ৰুমক ইমেইলত বা টেলিফোন নম্বৰ – ০২২ ২২৬০২২০১/০২২ ২২৬০২৯৪৪ত যোগাযোগ কৰিব পাৰে।

সংলগ্ন পত্ৰ ৫

**<u>ৰিকুৱেষ্ট শ্লিপ - ৫০০ আৰু ১০০০</u>**
**<u>টকা মুদ্ৰাবৰ্গৰ পুৰণি উচ্চ মূল্যৰ বেংক নোট বিনিময়ৰ বাবে।</u>**

বেংকৰ নাম ................................

শাখা ..........................................

| | |
|---|---|
| যাচকৰ নাম<br>ডাঙৰ হৰফত | |
| মূল পৰিচয় প্ৰমাণ কাউন্টাৰত দেখুৱাব লাগিব প্ৰযোজ্যটোত টিক্ দিব | আধাৰ কাৰ্ড, ড্ৰাইভিং লাইচেন্স, ভোটাৰ আই ডি কাৰ্ড, পাৰপত্ৰ, এনৰেগা কাৰ্ড, পেন কাৰ্ড<br>চৰকাৰী বিভাগে জাৰি কৰা পৰিচয় পত্ৰ, ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানে কৰ্মচাৰীক দিয়া পৰিচয়-পত্ৰ |
| চিনাক্তকৰণ নম্বৰ<br>(দাখিল কৰা পৰিচয় প্ৰমাণত নম্বৰটো আছে) | |
| সলনিৰ বাবে দাখিল কৰা পুৰণি উচ্চ মূল্যবৰ্গৰ নোটবোৰৰ সবিশেষ | মুদ্ৰাবৰ্গ / নোটৰ সংখ্যা / মূল্য (see table below)<br>আখৰত সম্পূৰ্ণ মূল্য- |
| উপস্থাপকৰ স্বাক্ষৰ | |
| স্থান-<br>তাৰিখ- | |

| মুদ্ৰাবৰ্গ | নোটৰ সংখ্যা | মূল্য |
|---|---|---|
| ৫০০ | | |
| ১০০০ | | |
| মুঠ | | |

সংলগ্ন–পত্ৰ ৬

**নিয়ন্ত্ৰক কাৰ্যালয়ত দৈনিক বিনিময় কৰা ৫০০ আৰু ১০০০ টকা মূল্যবৰ্গৰ প্ৰত্যাহৃত নোটবোৰৰ প্ৰতিবেদনৰ ফৰ্মেট**

বেংকৰ নাম ......................................................................................

শাখাৰ নাম .................................................................... আই এফ চি কড .............

শাখাত বেংক নোটবোৰ বিনিময়ৰ তাৰিখ ............................................... তলৰ মতে

| **মুদ্ৰাবৰ্গ** | **নোটৰ সংখ্যা** | **মুঠ মূল্য** |
|---|---|---|
| ৫০০ টকীয়া | | |
| ১০০০ টকীয়া | | |
| মুঠ | | |

শাখা প্ৰভাৰীৰ

নাম আৰু ডেজিগনেচন

.....................................................................................................................

শাখা প্ৰভাৰীৰ স্বাক্ষৰ.............................................................................................

তাৰিখ ......................

স্থান ........................

সংলগ্ন-পত্র ৬(ক)

**বেংকৰ শাখাত দৈনিক ভিত্তিত বিনিময় কৰা ৫০০ আৰু ১০০০ টকা মূল্যবৰ্গৰ প্ৰত্যাহৃত বেংকনোটৰ বিষয়ে আৰ বি আই কেন্দ্ৰীয় কাৰ্যালয়ক প্ৰতিবেদিত কৰা (ই-মেইল) ফৰ্মেট**

বেংকৰ নাম ..........................................................................................

শাখাৰ নাম ..................................................................... আই এফ চি কড ..............

শাখাত বেংক নোটবোৰ বিনিময়ৰ তাৰিখ ............................................... তলৰ মতে

| মুদ্ৰাবৰ্গ | নোটৰ সংখ্যা | মুঠ মূল্য |
|---|---|---|
| ৫০০ টকীয়া | | |
| ১০০০ টকীয়া | | |
| মুঠ | | |

শাখা প্ৰভাৰীৰ

নাম আৰু ডেজিগনেচন

.....................................................................................................................

শাখা প্ৰভাৰীৰ স্বাক্ষৰ..............................................................................................

তাৰিখ ........................

স্থান ..........................